**REGIONAL NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 19-01-2025
**Time :** 1800 hrs

ASSAMESE EVENING BULLETIN
**:::::::::::::::::::**

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মন কী বাত অনুষ্ঠানত হাতী মানুহৰ সংঘাত দূৰ কৰিবলৈ অসমৰ নগাঁও জিলাৰ হাতীবন্ধু নামৰ সংগঠনটোৱে গ্ৰহণ কৰা পদক্ষেপক ভূয়সী প্ৰশংসা কৰে। অনুষ্ঠানত মানুহ আৰু বন্যপ্ৰাণীৰ সহাৱস্থানৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে ভাৰতীয় সংস্কৃতি আৰু ঐতিহ্যই আমাৰ চৌপাশৰ জন্তু আৰু চৰাইৰ সৈতে মৰম আৰু সহনশীলতাৰে বসবাস কৰিবলৈ শিকাইছে। তেওঁ হাতী আৰু মানুহৰ সংঘাতৰ কথা উল্লেখ কৰি সংগঠনটোৱে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপ সন্দৰ্ভত অৱগত কৰে। গাঁওবাসীয়ে ৮০০ বিঘা অনুৰ্বৰ ভূমিত নেপিয়াৰ ঘাঁহ খেতি কৰি হাতীক খাদ্যৰ যোগান ধৰি আহিছে, যাৰ ফলত বৃহত্তৰ অঞ্চলটোৰ কৃষিপথাৰত হাতীৰ উপদ্ৰৱ তুলনামূলকভাৱে হ্ৰাস পাইছে। ইয়াৰ লগতে হাতী-মানুহৰ সংঘাতো কিছু পৰিমাণে নিৰ্মূল কৰাত সহায়ক হৈছে। উল্লেখযোগ্য যে গুৱাহাটীৰ প্ৰদীপ ভূঞা, বিনোদ দুলু বৰা আৰু মেঘনা ময়ূৰ হাজৰিকা নামৰ কেইগৰাকীমান প্ৰকৃতিপ্ৰেমীয়ে হাতীবন্ধুৰ হৈ এই পদক্ষেপ গ্ৰহণ কৰিছিল। হাতী মানুহৰ সংঘাতক লৈ কৃপাল কলিতাৰ দ্বাৰা পৰিচালিত হাতীবন্ধু শীৰ্ষক তথ্যচিত্ৰখনেও বহুল সমাদৰ লাভ কৰিছে। মন কী বাতত প্ৰধানমন্ত্ৰীয়ে হাতীবন্ধুৰ এই প্ৰচেষ্টাৰ কথা উল্লেখ কৰাৰ পাছত বিনোদ দুলু বৰাই প্ৰধানমন্ত্ৰীক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশৰ পাছতেই অসম আৰক্ষীয়ে ৰাজ্যত চলি থকা ৰেট হ'ল মাইনিং অৰ্থাৎ এন্দুৰৰ গাঁত সদৃশ কয়লা খনিৰ খনন বন্ধ কৰিবলৈ তৎপৰতা গ্ৰহণ কৰিছে। অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি পি সিঙে কয় যে ৭ দিনৰ ভিতৰত ৰেট হ'ল মাইনিং বন্ধ কৰা হ'ব। মাৰ্ঘেৰিটা, লিডু, লেখাপানী আদি অঞ্চলত এতিয়াও ৰেট হ'ল মাইনিং চলি আছে বুলি তেওঁ উল্লেখ কৰে।

০০০০০

অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জ্ঞানেন্দ্ৰ প্ৰতাপ সিঙক কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ সঞ্চালক হিচাপে কেন্দ্ৰীয় চৰকাৰে অনুমোদন জনাইছে। ১৯৯১ বেটছৰ অসম-মেঘালয় কেডাৰৰ ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়াগৰাকীক ২০২৩ চনৰ ৩১ জানুৱাৰীত অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হিচাপে নিযুক্তি দিয়া হৈছিল। অসম এৰাৰ পূৰ্বে আজি শ্ৰীসিঙক শিৱসাগৰ আৰক্ষী অতিথিশালাত বিদায় সম্ভাষণ জনোৱা হয়। এই অনুষ্ঠানত শিৱসাগৰ আৰু চৰাইদেউৰ উচ্চ পদস্থ আৰক্ষী বিষয়াসকলৰ লগতে শিৱসাগৰ জিলা আয়ুক্তও উপস্থিত আছিল।

০০০০০

শিৱসাগৰ জিলাৰ খনামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু খনামুখ শ্ৰীশংকৰদেৱ কলা কৃষ্টি কেন্দ্ৰৰ প্ৰাংগণত প্ৰাক্তন শৰণাচাৰ্য্য আৰু প্ৰচাৰক প্ৰয়াত শুদ্ধ গগৈ সমন্বয় ক্ষেত্ৰত ১৭ জানুৱাৰীৰ পৰা তিনিদিনীয়াকৈ

শ্ৰীমন্ত শংকৰ সংঘৰ শিৱসাগৰ জিলা শাখাৰ ৭২ সংখ্যক অধিবেশন অনুষ্ঠিত হৈছে। আজি অধিবেশনৰ অন্তিম দিনা খনামুখ খেলপথাৰৰ পৰা বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়।

০০০০০

মাজুলিৰ মায়ামৰা আজলী আই থানৰ বাৰ্ষিক থান সেৱা উৎসৱ ভাগি প্ৰতিবছৰে মাঘ মাহৰ প্ৰথমটো দেওবাৰে অনুষ্ঠিত কৰি অহা হৈছে। এইবেলিও থানখনলৈ কেইবা হাজাৰৰো দৰ্শনাৰ্থী আগমণ ঘটিছে। মায়ামৰা সমাজৰ আদ্যগুৰু অনিৰুদ্ধ দেৱৰ মাতৃ তথা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ভগ্নী এই আজলী আইয়ে মানৰ আক্ৰমণৰ সময়ত মাজুলিত গোপনে বাহৰ পাতি আছিল আৰু তাত শেষ নিশ্বাস ত্যাগ কৰিছিল। আজলী আইয়ে শেষ নিশ্বাস ত্যাগ কৰা দিনটোতে তেওঁক সোঁৱৰি প্ৰতিবছৰে মায়ামৰা সমাজে থানত বাৰ্ষিক নাম-কীৰ্তনৰ আয়োজন কৰে।

০০০০০

ধেমাজি জিলাৰ চিলাপথাৰৰ চিমেন চাপৰিত আজি ধেমাজি জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ স্থায়ী প্ৰশাসনিক ভৱন, মূল পথৰ লগতে পানী যোগান ব্যৱস্থাৰ শুভ উদ্বোধন কৰা হয়। ২০২৩ বৰ্ষত ১৪০ বিঘা ভূমিত আৰম্ভ হোৱা ধেমাজি জিলা কৃষি বিজ্ঞান কেন্দ্ৰতো আজি আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। অনুষ্ঠানত লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা, জোনাই বিধানসভা সমষ্টিৰ বিধায়ক ভূবন পেগু, জিলা আয়ুক্ত ৰাহুল সুৰেশ জাভিৰ, মিচিং স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ চায়েঙিয়া, অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচায্যৰ লগতে কেইবাজনো লোক উপস্থিত থাকে।

০০০০০

ৰাজ্য চৰকাৰৰ উদ্যোগত অহা ২৪ ফেব্ৰুৱাৰীত গুৱাহাটীত ৭ হাজাৰ ৫০০ৰো অধিক শিল্পীৰ অংশগ্ৰহণেৰে সৰ্ববৃহৎ ঝুমুৰ নৃত্য প্ৰদৰ্শনৰ আয়োজন কৰা হৈছে। মন্ত্ৰী কেশৱ মহন্তই কলিয়াবৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত চাহবাগিছাসমূহৰ পৰা অংশগ্ৰহণ কৰিবলগীয়া নৃত্য শিল্পীসকলৰ ব্যৱস্থাপনা সন্দৰ্ভত কলিয়াবৰ সমজিলা প্ৰশাসন, গাঁও পঞ্চায়তসমূহৰ সচিব আৰু প্ৰশিক্ষকসকলৰ সৈতে আলোচনাত মিলিত হয়। নৃত্য প্ৰদৰ্শন অনুষ্ঠানত অংশগ্ৰহণৰ ক্ষেত্ৰত বাছনিৰ বাবে পঞ্জীয়ন, বাছনিভুক্তসকলৰ প্ৰশিক্ষণ আদি বিভিন্ন দিশ সন্দৰ্ভত তেওঁ পৰামৰ্শ আগবঢ়ায়। এডভাণ্টেজ আছামৰ প্ৰাক্‌ক্ষণত ঝুমুৰ নৃত্য শিল্পীসকলৰ প্ৰদৰ্শনেৰে সমগ্ৰ বিশ্ব মন্ত্ৰমুগ্ধ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰিছে।

০০০০০

নগাঁৱৰ আনন্দৰাম ঢেকীয়াল ফুকন মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা দক্ষিণ হয়বৰ গাঁও নিবাসী বিশিষ্ট শিক্ষাবিদ ড০ নগেন্দ্ৰ নাথৰ কালি বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৫ বছৰ।

০০০০০

সমাপ্ত